স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

...াক্ষৰাব্দ ☐ ২ ছেপ্টেম্বৰ ২০২৬ চন ☐ VOL-16 ☐ NO-179 ☐ WEDNESDAY 2 SEPTEMBER 2026 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGAR...

৩৩ বছৰীয়া কৰ্মজীৱনৰ বিভিন্ন স্মৃতি ৰোমন্থন

কানৈত ড° চন্দনা গোস্বামীৰ বিদায় সভা

বিশেষ বাৰ্তা, ডিব্ৰুগড, ১ ছেপ্টেম্বৰ ঃ 'অৱসান ঘটে কৰ্মজীৱনৰ, অৱদান ৰৈ যায় চিৰদিন। এগৰাকী শিক্ষকৰ অৱসৰ কেৱল এটা চাকৰিৰ পৰিসমাপ্তি নহয়, ই হৈছে এটা দীঘলীয়া কৰ্মযাত্ৰাৰ আনুষ্ঠানিক সমাপ্তি, যাৰ সৈতে জড়িত হৈ থাকে অগণন স্মৃতি, ছাত্ৰ-ছাত্ৰীৰ জীৱন গঢ়াৰ অমূল্য অৱদান আৰু এখন শিক্ষানুষ্ঠানৰ বিকাশৰ ইতিহাস।' ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অনাশিক্ষক কৰ্মচাৰী গোটৰ উদ্যোগত অনুষ্ঠিত মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপিকা ড° চন্দনা গোস্বামীৰ বিদায় সভাত আদৰণি ভাষণ প্ৰদান কৰি অধ্যক্ষ ড° শশীকান্ত শইকীয়াই এইদৰে কয়। ১৯৯৩ চনৰ ২ এপ্ৰিলত বুৰঞ্জী বিভাগৰ সহকাৰী অধ্যাপিকা হিচাপে যোগদান কৰি সুদীৰ্ঘ ৩৩ বছৰ ধৰি মহাবিদ্যালয়খনৰ শৈক্ষিক, প্ৰশাসনিক আৰু সামাজিক ক্ষেত্ৰত নিষ্ঠা, সততা আৰু নিঃস্বাৰ্থ সেৱা আগবঢ়াই অহা অধ্যাপিকা ড° চন্দনা গোস্বামীৰ কৰ্মৰাজিৰ কথা উল্লেখ কৰি অধ্যক্ষগৰাকীয়ে কয়— তেওঁৰ কৰ্মনিষ্ঠা আৰু সৰল-সৌহাৰ্দ্যপূৰ্ণ ব্যক্তিত্বই সহকৰ্মীসকলৰ মাজত এক বিশেষ স্থান লাভ কৰিছিল। বুৰঞ্জী বিভাগৰ মুৰব্বী হিচাপে তেওঁ বিভাগটোক সু-সংগঠিত কৰাৰ লগতে মহাবিদ্যালয়ৰ সামগ্ৰিক প্ৰশাসনিক কাম-কাজতো দায়িত্বশীল ভূমিকা পালন কৰিছিল। তেওঁৰ এই অৱদান মহাবিদ্যালয়খনৰ ইতিহাসত সদায় স্মৰণীয় হৈ থাকিব। মহাবিদ্যালয়ৰ অধ্যাপক ড° মৃদুল শৰ্মাই আঁত ধৰা অনুষ্ঠানত অধ্যক্ষগৰাকীয়ে লগতে কয় যে শিক্ষকৰ প্ৰকৃত সাফল্য তেওঁৰ পদবী বা সেৱাকালৰ দৈৰ্ঘ্যত নহয়, বৰং তেওঁ কিমানজন শিক্ষাৰ্থীৰ জীৱনক জ্ঞান, মূল্যবোধ আৰু আত্মবিশ্বাসেৰে সমৃদ্ধ কৰিব পাৰিলে তাতহে নিহিত থাকে। সেই অৰ্থত ড° গোস্বামীৰ কৰ্মজীৱন নৱপ্ৰজন্মৰ শিক্ষকসকলৰ বাবে এক অনুপ্ৰেৰণাৰ উৎস হৈ থাকিব বুলি তেওঁ মন্তব্য কৰি অধ্যাপিকা ড° গোস্বামীৰ অৱসৰ জীৱন সুখ, শান্তি আৰু সুস্বাস্থ্যৰে পৰিপূৰ্ণ হোৱাৰ শুভেচ্ছা জ্ঞাপন কৰে। মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাঙুলীয়ে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত বিদায়ী অধ্যাপিকা ড° চন্দনা গোস্বামীয়ে ভাষণ প্ৰদান কৰি মহাবিদ্যালয়খনত কটোৱা ৩৩ বছৰীয়া কৰ্মজীৱনৰ বিভিন্ন স্মৃতি ৰোমন্থন কৰে। সহকৰ্মী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ পৰা লাভ কৰা মৰম, সহযোগিতা আৰু আন্তৰিকতাৰ বাবে তেওঁ কৃতজ্ঞতা জ্ঞাপন কৰি কানৈ মহাবিদ্যালয়ৰ সৈতে জড়িত হৈ থকা সময়ছোৱা তেওঁৰ জীৱনৰ এক অমূল্য অধ্যায় বুলি অভিহিত কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতি প্ৰসাদ ফুকন, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈ, অধ্যাপিকা ড° সঞ্চিতা বৰুৱা, অধ্যাপিকা ড° মৰমী তালুকদাৰ, অধ্যাপিকা ড° মিতালী চলিহা, অধ্যাপক ড° দেৱাঞ্জন হাজৰিকা, অধ্যাপিকা ড° নিতুমণি শইকীয়া, অধ্যাপক ড° উত্তম মহনে ড° চন্দনা গোস্বামীৰ সৈতে কটোৱা কৰ্মজীৱনৰ স্মৃতি ৰোমন্থন কৰি তেওঁৰ সৰলতা, কৰ্তব্যনিষ্ঠা, সহৃদয়তা আৰু সহকৰ্মীসকলৰ প্ৰতি থকা আন্তৰিকতাৰ কথা উল্লেখ কৰে। কৰ্মচাৰীসকলৰ ফালৰ পৰা ভুবনজ্যোতি বৰুৱা, নমিতা শইকীয়া, প্ৰশান্ত মাঝিৰি শইকীয়া আৰু দিগন্ত বৰুৱাই বিদায়ী অধ্যাপিকাগৰাকীৰ সৈতে থকা স্মৃতি আৰু অনুভৱ ব্যক্ত কৰে। অনুষ্ঠানত মহাবিদ্যালয় কৰ্তৃপক্ষৰ তৰফৰ পৰা বিদায়ী অধ্যাপিকা ড° চন্দনা গোস্বামীক ফুলাম গামোচা, চেলেং চাদৰ আৰু সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানত মহাবিদ্যালয়ৰ কৰ্মচাৰী গোটৰ সভাপতি, সম্পাদককে ধৰি ভালেসংখ্যক কৰ্মচাৰী উপস্থিত থাকে। ৩৩ বছৰীয়া এক দীঘলীয়া আৰু গৌৰৱময় কৰ্মযাত্ৰাৰ অন্তত আনুষ্ঠানিকভাৱে বিদায় ল'লেও ড° গোস্বামীৰ জ্ঞান, নিষ্ঠা আৰু অৱদান কানৈ মহাবিদ্যালয়ৰ শৈক্ষিক ইতিহাসত সদায় সজীৱ হৈ থাকিব বুলি উপস্থিত শিক্ষক-কৰ্মচাৰীসকলে মত প্ৰকাশ কৰে। ২৭ আগষ্টৰ দিনাও বুৰঞ্জী বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ উদ্যোগত অধ্যাপিকা ড° চন্দনা গোস্বামীৰ একব্যতিক্ৰমী বিদায় সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়।